**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-06-2024
**Time :** 19-10 Hrs.

***<u>Assamese Evening Bulletin</u>***

১। দেশৰ ৫৪২ খন লোকসভা আসনৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ভোটগণনা কাইলৈ কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত সম্পন্ন হ'ব।

২। মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰে কৈছে যে, এইবাৰৰ লোকসভা নিৰ্বাচনত ৬৪ কোটি ২০ লাখ ভোটাৰৰ অংশগ্ৰহণেৰে দেশে বিশ্ব অভিলেখ গঢ়িছে।

৩। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে দেশৰ চিকিৎসালয়সমূহে নিয়ামক প্ৰ'ট'কলসমূহ আৰু অগ্নি সুৰক্ষা সম্পৰ্কীয় নীতি নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ***আৰু***

৪। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউয়ৰ্কৰ নাছাও কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত শ্ৰীলংকাই দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০

দেশৰ ৫৪২ খন লোকসভা আসনৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ভোটগণনা কাইলৈ কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত সম্পন্ন হ'ব। নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে স্বচ্ছ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। দেশৰ অন্য ৰাজ্যসমূহৰ লগতে অসমতো ৫২টা কেন্দ্ৰত কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। ইয়াৰ পূৰ্বৰ নিৰ্বাচনত প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হৈছিল আৰু তাৰ ৩০ মিনিট পাছত ইভিএম মুকলি কৰাৰ ব্যৱস্থা আছিল যদিও এইবাৰ লোকসভা নিৰ্বাচনত এই নিয়মৰ কিছু সলনি কৰা হৈছে। এইবাৰ ৰিটাৰ্ণিং বিষয়া থকা জিলাৰ ভোটগণনা কেন্দ্ৰত পুৱা ৮ বজাত পোষ্টেল বেলট গণনা আৰম্ভ হ'ব আৰু ৩০ মিনিট পাছত ইভিএম মুকলি কৰা হ'ব। এই স্থানসমূহত পোষ্টেল বেলট গণনাৰ বাবে পৃথক টেবুলৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, বাকী জিলাসমূহত পোষ্টেল বেলট পেপাৰ গণনা কৰা নহয়। সেই ঠাইসমূহত পুৱা ৮ বজাৰ পৰা ইভিএমৰে গণনা আৰম্ভ হ'ব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জনোৱা অনুসৰি ভোটগণনা সম্পন্ন কৰিবলৈ ৬৪জন সাধাৰণ পৰ্যবেক্ষকক প্ৰতিনিধি হিচাপে নিযুক্তি দিয়া হৈছে। ইফালে, ৰাজ্যখনত সৰ্বমুঠ ১ লাখ ২৮ হাজাৰ ২৯৯টা পোষ্টেল বেলট প্ৰদান কৰা হৈছে।

০০০০

মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰে কৈছে যে, এইবাৰৰ লোকসভা নিৰ্বাচনত ৬৪ কোটি ২০ লাখ ভোটাৰৰ অংশগ্ৰহণেৰে দেশে বিশ্ব অভিলেখ গঢ়িছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত শ্ৰীকুমাৰে কয় যে, এই সংখ্যা হৈছে জি চেভেন ৰাষ্ট্ৰগোষ্ঠী - আমেৰিকা, ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইটালী, জাপান আৰু কানাডাৰ ভোটাৰৰ তুলনাত ডেৰ গুণ অধিক। তেওঁ কয় যে, এইবাৰ লোকসভা নিৰ্বাচনত ৩১ কোটি ২০ লাখ মহিলা ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে, যি হৈছে বিশ্বৰ ভিতৰতে সৰ্বাধিক। তেওঁ লগতে কয় যে, ২০১৯ চনৰ সাধাৰণ নিৰ্বাচনত ৫৪০ টা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ বিপৰীতে এইবাৰৰ নিৰ্বাচনত মাত্ৰ ৩৯ টা কেন্দ্ৰতহে পুনৰ ভোটগ্ৰহণ কৰা হৈছে। শ্ৰীকুমাৰে কয় যে,

নিৰ্বাচনী প্ৰক্ৰিয়াৰ বাবে ৬৮ হাজাৰ পৰ্যবেক্ষকৰ দল আৰু ডেৰ কোটি নিৰ্বাচনী তথা নিৰাপত্তা বাহিনীৰ লোক নিয়োগ কৰা হৈছিল।

মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয় যে, এইবাৰৰ লোকসভা নিৰ্বাচনত বিশেষ কোনো ধৰণৰ হিংসাত্মক ঘটনা সংঘটিত হোৱা নাছিল। এই সময়ছোৱাত নগদ ধন, ড্ৰাগছ আৰু সুৰাকে ধৰি ১০ হাজাৰ কোটিৰো অধিক মূল্যৰ সামগ্ৰী জব্দ কৰাৰ লগতে নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰা ৪৯৫ টা অভিযোগৰ ৯০ শতাংশ অভিযোগ মিমাংসা কৰা হয় বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

কাইলৈ হ'বলগীয়া ভোটগণনা সন্দৰ্ভত সবিশেষ প্ৰকাশ কৰি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয় যে, ভোটগ্ৰহণ কেন্দ্ৰসমূহত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। তেওঁ কয় যে, সমগ্ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া চিচি টিভিৰ নিৰীক্ষণত সম্পন্ন কৰাৰ লগতে প্ৰতিখন টেবুলৰ বাবে পৃথক সুক্ষ্ম পৰ্যবেক্ষক নিয়োগ কৰা হৈছে।

শ্ৰীকুমাৰে কয় যে, নিৰ্বাচন সন্দৰ্ভত বিৰোধী দলৰ প্ৰতিনিধি সকলে উত্থাপন কৰা সকলোবোৰ বিষয় ইতিমধ্যে নিস্পত্তি কৰা হৈছে।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, ভোটগণনাৰ সমগ্ৰ প্ৰক্ৰিয়া তথা ফলাফলসমূহ নিৰ্বাচন আয়োগৰ ৱেবচাইট results.eci.gov.inৰ লগতে ভোটাৰ হেল্পলাইন এপ'ত উপলব্ধ হ'ব। জনসাধাৰণে এই ভোটাৰ হেল্পলাইন এপ' গুগল প্লে' ষ্ট'ৰ অথবা এপ'ল প্লে' ষ্ট'ৰৰ পৰা ডাউনলোড কৰিব পাৰিব। আয়োগে লগতে ৰিটাৰ্ণিং বিষয়া আৰু কাউণ্টিং এজেণ্টসকলৰ বাবে ইয়াৰ ৱেবচাইটত এখন হাতপুঁথিও প্ৰকাশ কৰিছে।

০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে কাইলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা চাৰে ৮ বজাৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউ টিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে দেশৰ চিকিৎসালয়সমূহে নিয়ামক প্ৰ'ট'কলসমূহ আৰু অগ্নি সুৰক্ষা সম্পৰ্কীয় নীতি নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰালয়ে লগতে যিকোনো স্বাস্থ্য সেৱা প্ৰতিষ্ঠানৰ ৰোগী, কৰ্মচাৰী আৰু প্ৰতিষ্ঠানলৈ অহা প্ৰতিজন ব্যক্তিৰে সুৰক্ষা সুনিশ্চিত কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ বুলিও উল্লেখ কৰিছে। যোৱা কিছুদিন ধৰি দেশৰ বিভিন্ন প্ৰান্তত কেইবাটাও অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰালয়ে বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰায় ৩৯০ টা স্বাস্থ্য সেৱা প্ৰতিষ্ঠানৰ সৈতে এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰালয়ে প্ৰতিষ্ঠানসমূহক উন্নত অগ্নি সুৰক্ষা ব্যৱস্থা সাজু কৰি ৰখাৰ লগতে অগ্নিকাণ্ডৰ সময়ত উপস্থিত লোকসকলক সুৰক্ষিত স্থানলৈ লৈ যোৱাকে ধৰি বিভিন্ন সুৰক্ষামূলক অনুশীলন সময়ে সময়ে অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

ৰাষ্ট্ৰসংঘৰ জলবায়ু প্ৰধান চাইমন ষ্টিএলে এইবুলি সতৰ্ক কৰি দিছে যে গোলকীয় উষ্ণতা ২ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি হোৱাৰ দিশে আগবাঢ়িছে আৰু এই বৃদ্ধি ১ দশমিক ৫ ডিগ্ৰীত সীমিত কৰাটো অত্যন্ত কঠিন হব। জাৰ্মানীত অনুষ্ঠিত ব'ন জলবায়ু পৰিৱৰ্তন সন্মিলনত ভাষণ দি আজি তেওঁ এইকথা প্ৰকাশ কৰে।

শ্ৰীষ্টিএলে লগতে কয় যে ৰাষ্ট্ৰসংঘই আহ্বান জনোৱা আন্তৰাষ্ট্ৰীয় সহযোগিতা অবিহনে বৰ্ধিত গোলকীয় উষ্ণতাৰ পৰা পৰিত্ৰাণ পোৱাটো অত্যন্ত কঠিন হ'ব আৰু ইয়াৰ ফলত ইয়ে মানৱ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হব।

০০০০

কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে দিয়া অভিযোগৰ সবিশেষ উত্তৰ দিয়াৰ বাবে এসপ্তাহৰ সময় বিচাৰি শ্ৰীৰমেশে জনোৱা অনুৰোধ নিৰ্বাচন আয়োগে প্ৰত্যাখ্যান কৰিছে। শ্ৰীৰমেশলৈ লিখা এখন পত্ৰত আয়োগে আজি সন্ধিয়াৰ ভিতৰত তেওঁৰ অভিযোগৰ সবিশেষ তথ্য সহকাৰে আয়োগৰ ওচৰত জনাবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভোটগণনাৰ পূৰ্বে ৫০ গৰাকী জিলা দণ্ডাধীশক প্ৰভাৱিত কৰাৰ বাবে তেওঁলোকলৈ ফোন কৰা বুলি শ্ৰীৰমেশে অভিযোগ উত্থাপন কৰিছে। ভোটগণনাৰ সময়ছোৱাত জিলা দণ্ডাধীশসকলো একো একো গৰাকী জিলা নিৰ্বাচনী বিষয়া।

ইপিনে, আয়োগে কৈছে যে, শ্ৰীৰমেশে অভিযোগ কৰাৰ দৰে কোনো এগৰাকী জিলা দণ্ডাধীশে এনে ধৰণৰ কোনো ফোন কলৰ বিষয়ে আয়োগক অৱগত কৰোৱা নাই।

০০০০

জন্মু-কাশ্মীৰৰ পুলৱামা জিলাৰ নিহামা গাঁৱত আজি আৰক্ষী আৰু সেনাই চলোৱা যুটীয়া অভিযানত দুটা সন্ত্ৰাসবাদী নিহত হৈছে। অঞ্চলটোত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ বিষয়ে চোৰাংচোৱা সংস্থাৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত আজি পুৱাৰে পৰা অভিযান আৰম্ভ হয়।

০০০০

আকাশবাণীৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান প্লাবিক স্পীকত আজি নিশা চাৰে ৯ বজাত গ্ৰীষ্ম প্ৰবাহৰ সময়ত নিৰাপদে থকাৰ সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সদস্য ড° কৃষ্ণ এছ বৎস আৰু এইমছৰ মেডিচিন বিভাগৰ চিকিৎসক ড° পীযুষ ৰঞ্জনে অংশগ্ৰহণ কৰিব। আলোচনাটি চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই **০১১-২৩৪২১০৫০** আৰু **০১১-২৩৩১৪৪৪৪** নম্বৰলৈ ফোন কৰি গ্ৰীষ্ম প্ৰবাহৰ পৰা সুৰক্ষিত থাকিবলৈ গ্ৰহণ কৰিবলগীয়া বিভিন্ন দিশ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। ইয়াৰ উপৰি শ্ৰোতাসকলে **৯২৮৯০-৯৪০৪৪** নম্বৰত হোৱাটছআপৰ জৰিয়তেও প্ৰশ্ন কৰিব পাৰিব। অনুষ্ঠানটি আকাশবাণীৰ গ'ল্ড আৰু অতিৰিক্ত ফ্ৰিকুৱেঞ্চিসমূহত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ইয়াৰ উপৰি আকাশবাণীৰ ৱেবচাইট newsonair.gov.in আৰু আমাৰ ইউটিউব চেনেল News ON AIR OFFICIALটো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউয়ৰ্কৰ নাছাও কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত শ্ৰীলংকাই দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব।

আনহাতে, আজি পুৱা কেনচিংটন ওভেলত অনুষ্ঠিত আন এখন খেলত নামিবিয়াই-অ'মানক চুপাৰ অভাৰৰ জৰিয়তে পৰাস্ত কৰে।

০০০০

সমাপ্ত